জিব্ৰীলে মোক সদায় প্ৰতিৱেশীৰ বিষয়ে উপদেশ দিছিল। এটা সময়ত মই ধাৰণা কৰিলোঁ যে, তেওঁ হয়তো প্ৰতিৱেশীক মোৰ উত্তৰাধিকাৰী বনাই দিব।

ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "জিব্ৰীলে মোক সদায় প্ৰতিৱেশীৰ বিষয়ে উপদেশ দিছিল। এটা সময়ত মই
ধাৰণা কৰিলোঁ যে, তেওঁ হয়তো প্ৰতিৱেশীক মোৰ উত্তৰাধিকাৰী বনাই দিব।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, জিব্ৰীল আলাইহিচ্ছালামে তেখেতক সদায় প্ৰতিৱেশীৰ প্ৰতি মনোযোগ দিবলৈ নিৰ্দেশ দিছিল, প্ৰতিৱেশী মুছলিম হওক বা অমুছলিম, আত্মীয় হওক বা অনাত্মীয়, সকলো প্ৰকাৰৰ প্ৰতিৱেশীৰ অধিকাৰ সুৰক্ষিত ৰাখিবলৈ উপদেশ দিছিল আৰু কোনো প্ৰকাৰ কষ্ট দিবলৈ নিষেধ কৰিছিল। লগতে তেওঁলোকৰ সৈতে সদ্ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিছিল আৰু সিহঁতে দিয়া কষ্টত ধৈৰ্য্য ধাৰণ কৰিবলৈ কৈছিল। জিব্ৰীলৰ ফালৰ পৰা প্ৰতিৱেশীৰ বিষয়ে বাৰে বাৰে এনেকুৱা উপদেশ পোৱাৰ পিছত তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে অনুভৱ কৰিছিল যে, শীঘ্ৰেই হয়তো জিব্ৰীলে প্ৰতিৱেশীক ওৱাৰিছ বনোৱাৰ বিষয়ে কোনো অহী লৈ অৱতৰণ কৰিব, যাৰ ফলত মৃত্যুৰ পিছত প্ৰতিৱেশীয়েও ওৱাৰিছ হোৱাৰ অধিকাৰ লাভ কৰিব।

https://sunnah.global/hadeeth/as/show/4965